
ঢেকিয়াজুলি
সম্পাদক
ড° হৰি প্ৰসাদ বৰুৱা
ড° ডালিমা কাকতি
ঢেকিয়াজুলি
ড° হৰি প্ৰসাদ বৰুৱা
ড° ডালিমা কাকতি
প্ৰকৃতি আৰু সংস্কৃতিৰ মিলনভূমি ঢেকিয়াজুলি। প্ৰকৃতিয়ে নদ-নদী, জান-জুৰি, পাহাৰ-ভৈয়াম, অৰণ্য, বালিচাপৰি, বালিদ্বীপ আদিৰে যিদৰে ঢেকিয়াজুলিৰ দৰে এটা সৰু অঞ্চলক প্ৰাকৃতিকভাৱে সমৃদ্ধিশালী কৰি তুলিছে ঠিক তেনেদৰে বিভিন্ন জনগোষ্ঠীয় ভাষা-ভাষী আৰু ধৰ্মাৱলম্বী লোকে সাংস্কৃতিকভাৱেও এই অঞ্চলক এক সুকীয়া বৈচিত্ৰ্য প্ৰদান কৰিছে। এনে নিদৰ্শন আমাৰ ৰাজ্যখনৰ খুব কমসংখ্যক অঞ্চলতহে পৰিলক্ষিত হয়।
ISBN : 978-81-920759-5-2
9788192075952
Price : Rs. 300/-

# সূচীপত্ৰ


**ভূমিকা**

সম্পাদক / ক - ঙ

ক অংশ

**ঢেকিয়াজুলিৰ ভূগোল**

ড° নিত্যানন্দ ডেকা ড° অৰনী কুমাৰ ভাগৱতী /১

**Light on the History of Dhekiajuli Through the Antiquities Preserved in the District Museum Tezpur, Sonitpur**

Smt. Loly Hazarika /২৪

**শিঙৰিৰ গুপ্তেশ্বৰ মন্দিৰ আৰু বিশ্বকৰ্মা মন্দিৰৰ স্থাপত্য-ভাস্কৰ্য আৰু সংশ্লিষ্ট জনশ্ৰুতি**

ড° হৰি প্ৰসাদ বৰুৱা /৩১

**শিঙৰিৰ গুপ্তেশ্বৰ মন্দিৰ আৰু অন্যান্য পুৰাতাত্ত্বিক সমল**

তুলসী বৰঠাকুৰ /৩৬

**দুৰ্জ্জয়া ঃ একাদশ শতিকাৰ ৰজা ৰত্নপালৰ ৰাজধানী নগৰখন**

ডিমচাঁদ বৰদলৈ /৪৪

**ঢেকিয়াজুলিৰ শ্ৰীশ্ৰীৰঘুনাথ সত্ৰ আৰু স্থান বিশেষৰ নামকৰণ**

ললিত বৰুৱা /৪৯

খ অংশ

**বিয়াল্লিছৰ কাহিনী ঢেকিয়াজুলি**

জ্যোতিপ্ৰসাদ আগৰৱালা /৫৮

**১৯৪২ চনৰ গণ বিপ্লৱলৈ ঢেকিয়াজুলিৰ অৱদান**

ৰমেশ চন্দ্ৰ বৰা /৬৩

**অশ্ৰু অঞ্জলি ঃ '৪২ ৰ গণ আন্দোলনৰ শ্বহীদসকললৈ**

পুষ্পলতা দাস /৭৬

ঢেকিয়াজুলি অঞ্চলত স্বাধীনতা আন্দোলনৰ আৰম্ভণি আৰু ঢেকিয়াজুলিৰ শ্বহীদসকলৰ সংক্ষিপ্ত পৰিচয়
ললিত বৰুৱা /৮২
'৪২ৰ জনগণৰ নেতা কমলাকান্ত দাস বাপুৰাম গগৈ আৰু ফণীধৰ দাস
প্ৰসন্ন কুমাৰ দাস /৯১
১৯৪২ চনৰ ২০ ছেপ্তেম্বৰ ঃ ঢেকিয়াজুলিৰ কাহিনীৰ শুদ্ধ সমল বিচাৰি
মঃ ৰিয়াজউদ্দিন আনচাৰী /৯৫

গ অংশ

ঢেকিয়াজুলিৰ চাহ বাগিচা ইতিহাস আৰু ঐতিহ্য
মোহিনীকুমাৰ শৰ্ম্মা /১০১
ঢেকিয়াজুলিৰ নিৰ্বাচনকেন্দ্ৰিক ৰাজনৈতিক ইতিহাস
মুকুট চন্দ্ৰ বৰুৱা /১১০
ঢেকিয়াজুলিৰ শিক্ষালয়
প্ৰভাকৰ বৰ্মন /১২২
ঢেকিয়াজুলিত সাহিত্যচৰ্চা
কুশেশ্বৰ বৰা /১৪১
ঢেকিয়াজুলিৰ পৰা সংবাদসেৱা
ৰমেশ চন্দ্ৰ বৰা /১৫০
ঢেকিয়াজুলি শাখা সাহিত্য সভা
ড° হৰি প্ৰসাদ বৰুৱা /১৫৮
ঢেকিয়াজুলিত নাট্যচৰ্চা
ভাস্কৰ ডেকা /১৬৮
ঢেকিয়াজুলি অঞ্চলৰ ক্ৰীড়াৰ ইতিহাস এক বিহঙ্গম দৃষ্টি
প্ৰভাকৰ বৰ্মন /১৮০
ঢেকিয়াজুলি ক্ৰীড়া সন্থা
প্ৰদীপ কুমাৰ বৰুৱা /১৯০

লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ চমু ইতিবৃত্ত
ড° যোগেন্দ্ৰ শইকীয়া /২০৩
**Financial Institutions of Dhekiajuli**
Sumi Bora /২০৮
ঢেকিয়াজুলিৰ সংগীত চৰ্চাৰ ইতিহাস
নৰেন্দ্ৰ নাথ হালৈ /২২০
ঢেকিয়াজুলিত আধুনিক সংগীতৰ চৰ্চা
ডাঃ প্ৰমোদ শইকীয়া /২২৪

ঘ অংশ

বৰচলা
যতীন তালুকদাৰ /২৩১
কেহেকখন্দা কস্তুৰবা কেন্দ্ৰৰ স্মৃতি ৰোমন্থন ঃ এৰা বাটে ৰিভিয়ায়
ধনদা বৰুৱা /২৩৮
অমিয় কুমাৰ দাস
ড° হৰি প্ৰসাদ বৰুৱা /২৪৫
১৯৫৫ চনৰ ঢেকিয়াজুলি ৰঙালী বিহু-উৎসৱ
ৰমেশ চন্দ্ৰ বৰা /২৫২
১৯৬৮ চনৰ ঢেকিয়াজুলি ৰঙালী বিহু সন্মিলনী
ড° হৰি প্ৰসাদ বৰুৱা /২৫৪
ঐতিহাসিক তথ্য আৰু নথিপত্ৰৰ পোহৰত ঢেকিয়াজুলিৰ উত্তৰণ প্ৰক্ৰিয়া
ড° জ্যোৎস্না বৰুৱা /২৫৮
ঢেকিয়াজুলিৰ 'শ্বহীদ স্মৃতি স্তম্ভ' নিৰ্মাণৰ ইতিহাস
ড° হৰি প্ৰসাদ বৰুৱা /২৬৮
শিঙৰি-পাঁচনৈ ৰে'ল
সব্যসাচী কাশ্যপ /২৭৩
পদ্মনাথ গোহাঞি বৰুৱা আলি
ড° হৰি প্ৰসাদ বৰুৱা /২৭৬

অসম আন্দোলন আৰু ঢেকিয়াজুলি
কবীন্দ্ৰ কুমাৰ দাস /২৮০
ঢেকিয়াজুলি মহকুমা দাবী সংগ্ৰাম ঃ এটি অৱলোকন
ভগৱান বৈশ্য /২৯০
লেছেৰি বুটলি
ড° হৰি প্ৰসাদ বৰুৱা /২৯৭
ঢেকিয়াজুলিৰ সাংস্কৃতিক জগতৰ অতীত ৰোমন্থন
ৰমণী কান্ত কেওঁট /৩০৪
স্মৃতিৰ সঁফুৰা মেলি মিঠাআম ৰাস উৎসৱ আৰু ১৯৬২-ৰ ঢেকিয়াজুলি
খৰ্গেশ্বৰ কলিতা /৩০৮

পৰিশিষ্ট
List of Revenue Village Under Dhekiajuli (Undivided) Rev. Circle
লেখকৰ পৰিচয়

# ঐতিহাসিক তথ্য আৰু নথিপত্ৰৰ পোহৰত ঢেকিয়াজুলিৰ উত্তৰণ প্ৰক্ৰিয়া

ড° জ্যোৎস্না বৰুৱা

এটা অঞ্চলৰ বিকাশ বা উত্তৰণ দুয়োটাই ইতিবাচক শব্দ। যদি কোনো এক অঞ্চলৰ ঐতিহাসিক পৰ্যালোচনা কৰিবলগীয়া হয় তেন্তে সেই অঞ্চলৰ উত্তৰণ প্ৰক্ৰিয়াটো ত্বৰান্বিত কৰা কাৰকসমূহ জানি লোৱাটো দৰকাৰ। তদুপৰি ইতিহাস অধ্যয়ন আৰম্ভ কৰিবলৈ প্ৰয়োজনীয় Concept of Time ৰ প্ৰয়োগ সঠিকভাৱে কৰি লৈ ঐতিহাসিক সন্ধিক্ষণ বাছনি কৰা হয়।

এটা অঞ্চলৰ ইতিহাস সম্বন্ধে সেই অঞ্চলৰ অধিবাসীসকল সচেতন হ'লে তেওঁলোকে তাক লৈ গৌৰৱবোধ কৰাৰ লগতে পৰৱৰ্তী প্ৰজন্মলৈ সেই সচেতনতা প্ৰৱাহিত কৰে।

আধুনিক কালৰ অৰ্থনৈতিক ইতিহাসবিদ Eric Hobsbawm ৰ 'The Invention of Tradition' গ্ৰন্থত পৰম্পৰা উদ্ভাৱন কৰি জাতীয়তাবোধ শক্তিশালী কৰাৰ ক্ষেত্ৰত স্কটলেণ্ডৰ উদাহৰণ দি কেনেকৈ স্কটসকলে পৰম্পৰা উদ্ভাৱন কৰি লৈছে তাৰ বিশ্লেষণ আগবঢ়াইছে।

আমাৰ মূল আলোচ্য বিষয় ঢেকিয়াজুলিৰ উত্তৰণ (Growth) সম্বন্ধে অধ্যয়ন কৰিলে প্ৰাক্-স্বাধীনতা আৰু স্বাধীনোত্তৰ হিচাপে সময়ৰ ধাৰাবাহিকতা মানি লৈ আগবাঢ়িব লাগিব।

বিষয়টোৰ আৰম্ভণিতে কিছু তাত্ত্বিক কথাৰ অৱতাৰনা নিতান্তই আৱশ্যক। এই অঞ্চলৰ বিকাশৰ কাৰকবিলাক বিশ্লেষণ কৰিলে অৱধাৰিতভাৱেই সমসাময়িক বাস্তৱতাক বিশাল ভাৰতীয় প্ৰেক্ষাপটত স্থাপন কৰি ল'বলগীয়া হয়। ঔপনিৱেশিক শাসন আৰু সেই ব্যৱস্থাই সৃষ্টি কৰা আৰ্থিক, ৰাজনৈতিক আৰু সামাজিক বাস্তৱতা আৰু তাৰ প্ৰতিক্ৰিয়া আধুনিক ভাৰতীয় ইতিহাসৰ প্ৰতিপাদ্য বিষয়। দীৰ্ঘকালীন বৃটিছ শাসনে ভাৰতলৈ অনা পৰিৱৰ্তসমূহৰ অন্যতম দিশ আছিল অৰ্থনৈতিক। উৎপাদন ব্যৱস্থালৈ অহা কিছুমান অভূতপূৰ্ব পৰিৱৰ্তনৰ মাজেৰে ঔপনিবেশবাদৰ আৱিৰ্ভাব হৈছিল। গতিকে অৰ্থনৈতিক শক্তিৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াই সৃষ্টি কৰা সমসাময়িক ভাৰতীয় পৰিস্থিতিত বিকাশৰ কথাটোও জড়িত হৈ আছে। বিংশ শতিকাৰ আৰম্ভণিতে ভাৰতীয় জাতীয়তাবাদী বুদ্ধিজীৱীসকলে ভাৰতীয় অৰ্থ ব্যৱস্থাৰ ভাৰসাম্যহীন চৰিত্ৰৰ কথা বিজ্ঞানসন্মতভাৱে বিশ্লেষণ কৰি



দেখুৱাইছে, 'Because of the economic policy that subordinated the Indian economy to Great Britain's, India had been subjected to a process of de-industrialization, without modern industrial transformation taking place. This had disrupted the balance between industry and agriculture that had traditionally existed through a lower level of development.' (Bipan Chandra, Essays on Colonialism, 2000)। ঢেকিয়াজুলিকো এই প্ৰক্ৰিয়াই স্পৰ্শ কৰিছিল। ৰাজনৈতিক তথা অৰ্থনৈতিক দিশত উনবিংশ শতিকাৰ দ্বিতীয় ভাগৰ পৰা দ্ৰুতগতিৰে অহা পৰিৱৰ্তনসমূহৰ আঁৰত ঔপনিৱেশিক স্বাৰ্থ জড়িত হৈ আছিল। সেইবাবে অৰ্থ-ৰাজনৈতিক বিৱৰ্তনৰ ধাৰাটো বুজিবলৈ ঔপনিৱেশবাদৰ ভূমিকা ব্যাখ্যা কৰিবলগীয়া হয়। ঢেকিয়াজুলিক তেনে এক পটভূমিত স্থাপন কৰি ঐতিহাসিক তথ্য, পৰিসংখ্যাৰ জৰিয়তে এই অঞ্চলৰ উত্তৰণ প্ৰক্ৰিয়া সম্বন্ধে এটা অৰ্থনৈতিক দৃষ্টিভংগীৰে আলোচনা আগবঢ়োৱাৰ প্ৰয়াস কৰা হৈছে। ঔপনিৱেশিক নীতি বা পৰিকাঠামোটোৱেই ঔপনিবেশবাদ নহয়। প্ৰকৃতাৰ্থত ঔপনিৱেশবাদ হৈছে পৰ্যায়ক্ৰমে দুশবছৰত ভাৰতীয় অৰ্থব্যৱস্থা তথা সমাজখনক বিশ্ব পুঁজিবাদৰ লগত সামগ্ৰিকভাৱে জড়িত কৰি দিয়া জটিল প্ৰক্ৰিয়া।

এনে এক প্ৰক্ৰিয়াৰ মাজেৰে ভাৰত ৰাষ্ট্ৰ নিৰ্মাণ পৰ্যায়ক্ৰমে আগবাঢ়িছিল। ইতিমধ্যে উল্লেখ কৰা ঔপনিবেশবাদে জাতীয়তাবাদৰ বহুমাত্ৰিক সুদীৰ্ঘকালীন প্ৰক্ৰিয়াটো সৃষ্টি কৰিছিল আৰু এনেধৰণৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ মাজেৰে ৰাজনৈতিক তথা অৰ্থনৈতিক প্ৰতিষ্ঠানসমূহে সেই সময়ক গঢ় দিছিল, গতি দিছিল আৰু মাত্ৰা প্ৰদান কৰিছিল।

সেই সময়ছোৱা আছিল পুঁজিবাদী অৰ্থনীতিৰ ব্যাপক বিকাশৰ সময়। এনেধৰণৰ অৰ্থনৈতিক ব্যৱস্থাত পুঁজিৰ ব্যক্তিগত মালিকানাৰ ভিত্তিত সামগ্ৰী তথা সেৱাৰ উৎপাদন আৰু বিনিময়ৰ বাবে পুঁজিৰ প্ৰয়োগ হয় মূলতঃ লাভ উপাৰ্জনৰ বাবে। এনেধৰণে নিৰ্ধাৰিত অৰ্থনৈতিক ব্যৱস্থাটোৰ দ্বাৰাই উনবিংশ শতিকাত ভাৰতীয় ইতিহাসৰ গতি নিৰ্ণয় হৈছিল।

এই ব্যাপক পটভূমিত কিছু তাত্ত্বিক ধাৰণা লৈ বিষয়বস্তুলৈ আগবাঢ়িছোঁ। এই নিবন্ধৰ জৰিয়তে ভাৰতৰ উত্তৰ-পূব প্ৰান্তত স্থিত অসমৰ শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকিয়াজুলিক ঔপনিৱেশিক আধুনিকতাই কিমান স্পৰ্শ কৰিছে বা অঞ্চলটো কেনেধৰণে গঢ় লৈছে তাৰ এটা সাধাৰণ পৰ্যালোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হ'ব।

১৮২৬ চনত অসম বৃটিছ শাসনাধীন হোৱা কথাটো সকলোৰে জ্ঞাত। আহোম ৰাজতন্ত্ৰৰ অৱক্ষয় আৰু পতন, মানৰ আক্ৰমণ, বৃটিছৰ ঔপনিৱেশিক আগ্ৰাসন, অসমৰ অৰ্থনৈতিক সম্ভাৱনা, ৰাজনৈতিক বাধ্যবাধকতা এই কথাবোৰ আচলতে পাৰস্পৰিকভাৱে সম্পৰ্কিত। আমি সেইখিনি একাষৰীয়া কৰি ১৮৭৪ চনলৈ যদি চাওঁ এক ঐতিহাসিক সন্ধিক্ষণ পৰিলক্ষিত হয় কাৰণ তেতিয়ালৈ অসম প্ৰশাসনিকভাৱে বংগৰ লগত জড়িত